**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headline***

০০০০০০০

১। মাৰ্ঘেৰিটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ১৮ হাজাৰ ৩৭০ গৰাকী সদস্যাক মুখ্যমন্ত্ৰীৰ চেক বিতৰণ।

২। উত্তৰ পূৰ্বাঞ্চলত এড়ী পালনৰ ওপৰত গুৰুত্ব দি এড়ী আৰু মুগাৰ উৎপাদন বৃদ্ধিৰ বাবে প্ৰচেষ্টা চলাবলৈ কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ আহ্বান।

৩। আসন্ন বিটিচি পৰিষদীয় নিৰ্বাচনৰ পূৰ্বে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙৰ বি টি আৰৰ আইন-শৃংখলা পৰিস্থিতি পৰ্যালোচনা।

৪। গুৱাহাটী মহানগৰীত আজি বিয়লিৰ ভাগত অহা এজাক ধাৰাসাৰ বৰষুণৰ ফলত কেইবাটাও অঞ্চল প্লাৱিত।

*আৰু*

৫। আহমেদাবাদত অনুষ্ঠিত কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত ভাৰতীয় দলৰ হৈ অসমৰ পাঁচগৰাকী প্ৰতিভাবান খেলুৱৈৰ অংশগ্ৰহণ।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ১৮ হাজাৰ ৩৭০ গৰাকী সদস্যাৰ মাজত চেক বিতৰণ কৰে। মাৰ্ঘেৰিটাৰ বৰগোলাইৰ দিহিং ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে উদ্যোগী নাৰীসকলক ৰাজ্যৰ উত্তৰণমুখী যাত্ৰাৰ শক্তিশালী অংশীদাৰ ৰূপে গঢ়ি তুলিবলৈ চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয়, যে এই অভিযানৰ অধীনত ধন লাভ কৰা মহিলা উদ্যোগীসকলে দক্ষতা আহৰণৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত সফল হ'ব পৰাকৈ তেওঁলোকক প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হৈছে।

অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযান সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই উচ্ছেদ অভিযান নিৰন্তৰ চলি থাকিব। ইতিমধ্যে উচ্ছেদিত হোৱা লোকসকলে যাতে উজনি অসম অথবা উত্তৰ পাৰৰ ভূমি দখল কৰি ভাবুকি সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ লগতে উল্লেখ কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

ড০ শৰ্মাই ইয়াৰ পূৰ্বে তিনিচুকীয়া জিলাত বহনক্ষম আৰু বিজ্ঞান সন্মত গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মাৰ্ঘেৰিটাত আৱৰ্জনা নিষ্কাষণ কেন্দ্ৰ আৰু আৱৰ্জনাৰ পৰা জৈৱ সাৰ প্ৰস্তুত কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। ছয় কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পটো দৈনিক ৫০ মেট্ৰিকটন গোটা আৱৰ্জনা নিষ্কাষণ কৰা হ'ব। প্ৰয়োজনসাপেক্ষে এই ক্ষমতা ১০০ মেট্ৰিকটনলৈ বৃদ্ধি কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ আৰু বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি কোকৰাঝাৰ জিলাৰ আদাবাৰীৰ বড়োলেণ্ড ৰেচম উদ্যানত এটা এড়ী সূতা কটা কল উদ্বোধন কৰে। উত্তৰ পূৰ্বাঞ্চল বস্ত্ৰ শিল্প বিকাশ আঁচনিৰ অধীনত এই কলটো স্থাপন কৰা হৈছে। ১৩ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰা প্ৰকল্পটোৰ আজিৰ উদ্বোধনী অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কাৰ্যবাহী সদস্য দাওবৈচা বড়োৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি

উপস্থিত থাকে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে বড়োলেণ্ড এলেকাৰ পৰম্পৰাগত হস্তশিল্পৰ সাংস্কৃতিক গুৰুত্ব সম্পৰ্কত ব্যাখ্যা কৰে। তেওঁ কয় যে অসমৰ সাংস্কৃতিক গৌৰৱ আৰু ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক হিচাপে বড়ো জনগোষ্ঠীৰ আৰনাই তেওঁ কেইবাগৰাকীও বিদেশী প্ৰতিনিধিক উপহাৰ হিচাপে আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলত এড়ী পালনৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে এড়ী আৰু মুগাৰ উৎপাদন বৃদ্ধিৰ বাবে প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়। আজি উদ্বোধন কৰা এড়ী উৎপাদন কলে অঞ্চলটোৰ হস্ততাঁত আৰু বস্ত্ৰ খণ্ডলৈ বিশেষ অৰিহণা আগবঢ়াব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)

০০০০০০০

আসন্ন বিটিচি পৰিষদীয় নিৰ্বাচনৰ পূৰ্বে আইন-শৃংখলা পৰিস্থিতিৰ বুজ ল'বলৈ বি টি আৰ ভ্ৰমণ কৰা অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি চিৰাং জিলাৰ কাজলগাঁৱৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হয়। তেওঁ জিলা আৰক্ষীৰ অভিবাদন গ্ৰহণ কৰাৰ পাছত শীৰ্ষ বিষয়াসকলৰ সৈতে নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত মত-বিনিময় কৰে। এই বৈঠকত অঞ্চলটোৰ আইন-শৃংখলা পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে আসন্ন নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে সকলো দিশ চালি-জাৰি চোৱা হয়। সাংবাদিকৰ আগত শ্ৰীসিঙে এইদৰে কয় -

বাইট (ডি জি পি)

উল্লেখযোগ্য যে, আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কালি কোকৰাঝাৰ জিলাৰ উচ্চপদস্থ আৰক্ষী বিষয়াসকলৰ সৈতে সমাগত টবি টি আৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিছিল।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে শিলচৰলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি ৰামকৃষ্ণ মিছন সেৱা শ্ৰম পৰিদৰ্শন কৰাৰ লগতে ৰেডক্ৰছ ছ'চাইটিৰ শিলচৰ শাখা পৰিদৰ্শন কৰে। ৰাজ্যপালগৰাকীয়ে ৰেডক্ৰছ ছ'চাইটিত গছপুলি ৰোপণ কৰাৰ উপৰি এটা ৰক্তদান শিবিৰ মুকলি কৰে। তেওঁ সংগঠনটোৰ নিঃস্বাৰ্থ সেৱাৰ প্ৰশংসা কৰি অনাগত দিনটো আৰ্তজনৰ প্ৰতি এই সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়।

শ্ৰী আচাৰ্যই কালি কাছাৰ জিলাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতি পৰ্যালোচনা কৰি সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০০

বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি মানকাচৰত সম-জিলা উন্নয়নৰ সৈতে জড়িত বিষয় পৰ্যালোচনা কৰে। হাটশিঙিমাৰীত জিলা আয়ুক্তৰ কাৰ্যালয়ত মন্ত্ৰীগৰাকীয়ে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হৈ উন্নয়নমূলক আঁচনি ৰূপায়ণ সন্দৰ্ভত বুজ লয়। এই বৈঠকত শিশু কল্যাণ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে কেইবাগৰাকীও মন্ত্ৰীয়ে শেহতীয়াকৈ মানকাচৰ ভ্ৰমণ কৰিছে।

০০০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি দক্ষিণ শালমৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কোকৰাদাঙাত ব্ৰহ্মপুত্ৰৰ খহনীয়াগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ লোকসকলৰ আবেদন মৰ্মে খহনীয়া হৈ থকা স্থানৰ প্ৰায় ৫০০ মিটাৰ অংশত স্থায়ী প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰা হব বুলি আশ্বাস দিয়ে। ইয়াৰ বাবে জিঅ' মেগা টিউবৰ সহায়ত কাম আৰম্ভ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। আমাৰ মানকাচৰৰ সংবাদদাতাই জনোৱা মতে কোকৰাডাঙাৰ প্ৰায় ৪০০ মিটাৰ অংশত ব্ৰহ্মপুত্ৰৰ ব্যাপক খহনীয়াই বৃহত্তৰ অঞ্চলটোৰ উপৰি সীমান্ত সংযোগী পথলৈ ভাবুকি কঢ়িয়াই আনিছে। শীঘ্ৰেই স্থায়ীভাৱে খহনীয়া প্ৰতিৰোধৰ কাম সম্পন্ন হ'লে অঞ্চলটোৰ লোকসকলে যথেষ্ট সকাহ পাব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

কগামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত পানবজাৰৰ জি এ ডি ভৱনলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আজি গুৱাহাটী উকিল সন্থাই প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰে। সন্থাৰ সদস্যসকলে অস্থায়ীভাৱে আদালত চৌহদ

স্থানান্তৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ চৰকাৰক দাবী জনায়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ২৬ আগষ্টত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত জি এ ডি ভনৰলৈ অস্থায়ীভাৱে স্থানান্তৰৰ সিদ্ধান্ত লৈছে। কিন্তু নতুন স্থানত অধিবক্তা তথা গোচৰীয়াৰ বাবে পৰ্যাপ্ত সা-সুবিধা নাই বুলি উকিল সন্থাই এই স্থানান্তৰৰ বিৰোধিতা কৰিছে।

০০০০০০০

গুৱাহাটী মহানগৰীত আজি বিয়লিৰ ভাগত অহা এজাক ধাৰাসাৰ বৰষুণৰ ফলত কেইবাটাও অঞ্চল প্লাৱিত হৈছে। মহানগৰীখনৰ জুৰোড, চানমাৰি, শিলপুখুৰী, কমাৰ্চ কলেজৰ সন্মুখকে ধৰি কেইবাটাও অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। ইপিনে, যোৰাবাটৰ বিস্তীৰ্ণ এলেকা প্লাৱিত হোৱাৰ ফলত অঞ্চলটোৰ তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে। মহানগৰীখনৰ ঠায়ে ঠায়ে এনেদৰে পানী জমা হোৱাৰ ফলত পথচাৰীসকল গন্তব্যস্থানত উপস্থিত হোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।

০০০০০০০

শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ তুলসীবাৰীত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ পুঁজিৰে নিৰ্মাণ কৰা বৃদ্ধ পেন্সন কল্যাণ পৰিষদৰ ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। পৰিষদৰ ২৪ লাখ টকা পুঁজিৰে ভৱনটো নিৰ্মাণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশ লোৱাৰ উপৰি জিলাখনৰ পেন্সনাৰসকলৰ অভাৱ-অভিযোগৰো বুজ লয়। অনুষ্ঠানত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েঙিয়া, কাৰ্যবাহী সদস্য বাণীকান্ত দলে প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০০

নগাঁও জিলাৰ কলং আৰু হাৰিয়াপাৰৰ শিখ বসতি প্ৰধান বৰকোলাৰ কেন্দ্ৰীয় গুৰুদ্বৱাৰ আজি শ্ৰী গুৰুগ্ৰন্থ চাহেবজীৰ ৪২১ সংখ্যক প্ৰথম প্ৰকাশ দিৱস উদযাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি বৰকোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গুৰুমুখ সিঙে শিশু সাহিত্যিক উত্তম সিঙৰ পাগুৰী নামৰ এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লৈ সাংবাদিক দেৱজিৎ হাজৰিকাই অসমত বাস কৰা শিখসকলৰ অসমীয়া সমাজ জীৱনলৈ অৱদান সন্দৰ্ভত আলোকপাত কৰে। আজি গুৰুদ্বাৰ প্ৰাংগণত শিখ ধৰ্মীয় কীৰ্তন আৰু ধৰ্মীয় গীত পৰিৱেশন কৰা হয়। এই অনুষ্ঠানতে শিক্ষা, সংস্কৃতিকে ধৰি বিভিন্ন ক্ষেত্ৰত গৌৰৱ কঢ়িয়াই অনা বৰকোলা অঞ্চলৰ কেইবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০

নগাঁও চহৰৰ সমীপৱৰ্ত্তী ৰাইদঙিয়াত যোৱা নিশা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কেতবোৰ নথিপত্ৰ উদ্ধাৰ হোৱাক লৈ আজি জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই এখন সংবাদ মেলত স্পষ্টীকৰণ দিয়ে। তেওঁ কয় যে জিলাখনৰ জুৰিয়া উন্নয়ন খণ্ডৰ পূব-পশ্চিম অংশৰ ৰামপুৰ সত্ৰ গাঁও পঞ্চায়ত, আলিটাঙনী জামগুৰি গাঁও পঞ্চায়তৰ পূব-পশ্চিম অংশৰ এন আৰ চিৰ নথিসমূহ সতী ৰাধিকা হাইস্কুলত সংৰক্ষিত হৈ আছিল। অসমমালা আঁচনিৰ অধীনত নগাঁও-ধিং পথ নিৰ্মাণৰ বাবে পথ সম্প্ৰসাৰণ কৰিবলগীয়া হোৱাত বিদ্যালয়খনৰ দুটা কোঠা ভাঙি দিবলগীয় হয় আৰু নথিসমূহ সমীপৰ এটা স্বাস্থ্য কেন্দ্ৰত ৰখা হয়। দুস্কৃতিকাৰীয়ে এই ঘৰটোৰ তলা ভাঙি নথিসমূহ বিক্ৰী কৰিছিল যদিও ক্ৰেতাজনৰ পৰা আৰক্ষীয়ে নথিসমূহ জব্দ কৰে। নথি বিক্ৰী কৰা লোকজনৰ সন্ধানত আৰক্ষীয়ে তদন্ত চলাই আছে বুলি তেওঁ কয়। অৱশ্যে এই নথিসমূহ ইতিপূৰ্বে ডিজিটাইজ কৰা হৈছে আৰু ইয়াৰ পৰা কোনো সমস্যাৰ সম্ভাৱনা নাই বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

০০০০০০০

প্ৰণামো মাতৃভাষাৰ উদ্যোগত আৰু বঙাইগাঁও জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সহযোগত আজি বঙাইগাঁৱৰ বীৰঝৰা ৰাজহুৱা পুঁথিভৰাল প্ৰেক্ষাগৃহত মাতৃভাষা সজাগতা সভা অনুষ্ঠিত হয়। কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ৰমেশ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত মাতৃভাষা মাধ্যমত শিক্ষা দান আৰু শিক্ষা গ্ৰহণৰ পোষকতা কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। সভাত ভাগ লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ সত্যকাম বৰঠাকুৰে মাতৃভাষা মাধ্যমৰ বিপৰীতে গঢ় লৈ উঠা শিক্ষা ব্যৱস্থাৰ সৈতে অসমীয়া

জাতি, মাটি আৰু সংস্কৃতিৰ সম্পৰ্ক নাই বুলি উল্লেখ কৰে। সভাত অসম জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱা, জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্ত, বঙাইগাঁও জিলাৰ আয়ুক্ত নৱদীপ পাঠককে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

0000000

আহমেদাবাদত আজি আৰম্ভ হোৱা কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত ভাৰতীয় দলৰ হৈ অসমৰ পাঁচগৰাকী প্ৰতিভাবান খেলুৱৈয়ে অংশ লৈছে। কাইলৈ ধৰ্মজ্যোতি দেওঘৰীয়াই ল'ৰাৰ যুৱ শাখাৰ ৫৬ কিলোগ্ৰাম শাখাত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত অংশ লোৱা অসমৰ আনকেইগৰাকী ভাৰোত্তোলক হৈছ- ৫৮ কিলোগ্ৰাম শাখাত ভাবনা গগৈ, ৭১ কিলোগ্ৰাম শাখাত হেমন্ত দৈমাৰী আৰু অভিনৱ গগৈ আৰু ৭৯ কিলোগ্ৰাম শাখাত বেদব্ৰত ভৰালী। অসম ভাৰোত্তোলন সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতিযোগী কেইগৰাকীলৈ শুভেচ্ছা জনাইছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত মিজোৰামলৈ ৰে'ল সংযোগ সন্দৰ্ভত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

শিৱসাগৰৰ প্ৰবীণ জাতীয়তাবাদী নেতা, জ্যেষ্ঠ অধিবক্তা তথা উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা স্বৰ্গীৰ ইমদাদ য়াছিনৰ যোৱা নিশা ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত মৃত্যু হয়। য়াছিনৰ মৃত্যুত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, মানৱ অধিকাৰ সংগ্ৰাম সমিতি, উজনি অসম মুছলিম কল্যাণ পৰিষদ, শিৱসাগৰ প্ৰেছ ক্লাব, উকিল সন্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ।

0000000

**সমাপ্ত**